**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ নিজা সমষ্টি উত্তৰ প্ৰদেশৰ বাৰাণসীৰ পৰা মুকলি কৰে।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে অপাৰেচন সিন্দুৰৰ সময়ত সমগ্ৰ বিশ্বই আত্মনিৰ্ভৰ ভাৰতৰ ক্ষমতা অনুধাৱন কৰিলে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে দেশৰ কৃষকসকলৰ স্বাৰ্থ বিঘ্নিত কৰি চৰকাৰে কোনো কাম কৰা নাই।

৪। দিল্লীৰ এখন আদালতে গুৰুগ্ৰামৰ চিকোহপুৰ ভূমি লেনদেন গোচৰত কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ স্বামী ৰবাৰ্ট ভাদ্ৰালৈ জাননী জাৰি কৰিছে। আৰু

৫। অভেল টেষ্টত ভাৰতে ২ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৫ ৰাণৰ পৰা আজি দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ নিজা সমষ্টি উত্তৰ প্ৰদেশৰ বাৰাণসীৰ পৰা মুকলি কৰে। এই কিস্তিৰ জৰিয়তে দেশৰ ৯ কোটি ৭০ লাখৰো অধিক কৃষকৰ মাজত ২০ হাজাৰ ৫০০ কোটি টকা বিতৰণ কৰা হয়। এইটো কিস্তিকে ধৰি আঁচনিখনৰ অধীনত বৰ্তমানলৈকে মুঠ ৩ লাখ ৯০ হাজাৰ কোটি টকা কৃষকৰ মাজত বিতৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰত্যক্ষ লাভ হস্তান্তৰৰ জৰিয়তে প্ৰতিজন কৃষকৰ আধাৰ সংযোগী বেংক একাউণ্টলৈ বছৰি তিনিটা সমান কিস্তিত মুঠ ছহেজাৰ টকাকৈ হস্তান্তৰ কৰা হয়।

প্ৰধানমন্ত্ৰীয়ে আজি প্ৰায় দুহেজাৰ ২০০ কোটি টকাৰ ৫২ টা উন্নয়নমূলক আঁচনিৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহ আন্তঃগাঠনি আৰু নগৰ উন্নয়নকে ধৰি বিভিন্ন খণ্ডত ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে অনুষ্ঠিত জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কাশীৰ সৈতে তেওঁৰ সম্পৰ্কৰ উল্লেখেৰে কয় যে অপাৰেচন সিন্দুৰৰ সাফল্যৰ পাছত তেওঁ প্ৰথমবাৰৰ বাবে কাশীলৈ আহিছে। তেওঁ কয়, যে বাবা বিশ্বনাথৰ কৃপাত ভাৰতে পেহেলগাম আক্ৰমণৰ ভুক্তভোগীসকলক ন্যায় দিবলৈ সমৰ্থ হ'ল। তেওঁ কয়, যে ১৪০ কোটি ভাৰতীয় একতা আৰু শক্তিয়ে অপাৰেচন সিন্দুৰক সফল কৰি তুলিলে। এই অভিযানৰ সময়ত সমগ্ৰ বিশ্বই আত্মনিৰ্ভৰ ভাৰতৰ ক্ষমতা অনুধাৱন কৰিলে বুলিও তেওঁ উল্লেখ কৰে। ভাষণত তেওঁ কৃষি আৰু কৃষকৰ কল্যানৰ বাবে তেওঁৰ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে যোৱা

এক দশকত কৃষকসকলৰ প্ৰায় সকলো সমস্যাৰ সমাধান কৰিছে। এই ক্ষেত্ৰত তেওঁ ২৪ হাজাৰ কোটি টকা ব্যয়েৰে নতুনকৈ আৰম্ভ কৰা প্ৰধানমন্ত্ৰী **ধন ধান্য যোজনা**ৰ উল্লেখ কৰে।

শ্ৰীমোদীয়ে নতুনকৈ বহল তথা শক্তিশালী কৰা বাৰাণসী-ভাদহী পথ আৰু চিত্তউনি-শূল টংকেশ্বৰ পথ উদ্বোধন কৰে। তদুপৰি হৰদত্তপুৰত ৰে'লৰে উৰণসেতুখনো তেওঁ উদ্বোধন কৰে। শ্ৰীমোদীয়ে কেইবাটাও পথৰ উন্নয়নৰ কামৰ আধাৰশিলা স্থাপন কৰে। অঞ্চলটোৰ শক্তি আন্তঃ-গাঠনিৰ উন্নয়নৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীয়ে স্মাৰ্ট বিতৰণ প্ৰকল্পৰ অধীনত বিভিন্ন কামৰ আৰু ৮৮০ কোটিৰো অধিক টকাৰ মাটিৰ তলৰ বৈদ্যুতিক আন্তঃগাঠনি আঁচনিৰ আধাৰশিলা স্থাপন কৰে।

পৰ্যটনক নতুন মাত্ৰা দি প্ৰধানমন্ত্ৰীয়ে কুচ্চ ঘাটৰ ৮টা পাৰৰ পুনৰ উন্নয়নৰ কামৰ লগতে কালিকা ধামৰ উন্নয়ন, শিৱপুৰৰ ৰংগিলদাস কুটিয়াৰ পুখুৰী আৰু ঘাটৰ সৌন্দৰ্য বৰ্ধন তথা দুৰ্গাকুণ্ডৰ উন্নয়নমূলক কাম উদ্বোধন কৰে। তেওঁ কাৰ্দমেশ্বৰ মহাদেৱ মন্দিৰৰ সংৰক্ষণ, কেইবাগৰাকী মুক্তিযুঁজাৰুৰ জন্মস্থান কাৰ্খিয়াওঁৰ উন্নয়ন, সাৰনাথ, ৰিছি মাণ্ডভি আৰু ৰামনগৰ মণ্ডলৰ নগৰীয়া সা-সুবিধা কেন্দ্ৰ, লামহিৰ মুন্সি প্ৰেমচান্দৰ বাসগৃহ আৰু সংগ্ৰহালয়ৰ উন্নয়ন আদিৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ছহিদ উদ্যান আৰু ২১খন অন্যান্য উদ্যানৰ সৌন্দৰ্য বৰ্ধনৰ কামৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে দেশৰ কৃষকসকলৰ স্বাৰ্থ বিঘ্নিত কৰি চৰকাৰে কোনো কাম কৰা নাই। শ্ৰী চৌহানে আজি পাটনাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ বিত্তীয় সাহায্য হস্তান্তৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয়। তেওঁ কয় যে মোদী চৰকাৰে কৃষকৰ স্বাৰ্থক প্ৰাথমিক অগ্ৰাধিকাৰ দি আহিছে আৰু কোনো কাৰণতে এই ক্ষেত্ৰত আপোচ কৰা নহ'ব।

শ্ৰী চৌহানে কয়, যে মোদী চৰকাৰ বজাৰ হস্তক্ষেপ আঁচনি আৰম্ভ কৰি কৃষকৰ উৎপাদনক সুৰক্ষা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয়, যে এই আঁচনিয়ে কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ পৰিবহনত সহায় কৰিব আৰু লাভজনক বজাৰত তেওঁলোকৰ উৎপাদিত ফচল বিক্ৰিৰ সুবিধা পাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে কৃষকৰ উৎপাদন বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সুলভ ঋণ, সুলভ সাৰ, মানসম্পন্ন বীজ আৰু কীটনাশকৰ ব্যৱস্থা কৰিছে। ইউৰিয়া, দি এ পি আৰু এন কেপি সাৰৰ বৰ্ধিত মূল্য নিয়ন্ত্ৰণৰ বাবে চৰকাৰে ১ লাখ ৭৫ হাজাৰ কোটি টকা ৰাজসাহায্যৰ ব্যৱস্থা কৰা বুলিও শ্ৰীচৌহানে প্ৰকাশ কৰে। তেওঁ কয়, যে কৃষকক সামান্য সুদৰ হাৰত কিষাণ ক্ৰেডিত কাৰ্ড যোগান ধৰাৰ বাবে চৰকাৰে ২৫ লাখ কোটি টকাৰ প্ৰতিষ্ঠানিক ঋণৰ ব্যৱস্থা কৰিছে। শ্ৰীচৌহানে কৃষিৰ দক্ষতা আৰু কঠোৰ শ্ৰমৰ বাবে বিহাৰৰ কৃষকসকলক প্ৰশংসা কৰে।

০০০০০০

জম্মু-কাশ্মীৰৰ ৰিয়েছি জিলাত হোৱা এটা ভয়াবহ ভূমিস্খলনত পুত্ৰসহ এজন মহকুমা দণ্ডাধীশৰ মৃত্যু হয়। এই ঘটনাত দণ্ডাধীশগৰাকীৰ পত্নী আৰু আন দুজন লোক আহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে পৰিয়ালটোৰ গাড়ীত এটা প্ৰকাণ্ড শিলে খুন্দা মৰাৰ ফলতে শোকাবহ ঘটনাটো সংঘটিত হয়। যোৱা নিশা মহকুমা দণ্ডাধীশ ৰাজেন্দ্ৰ সিং ৰাণা পৰিয়ালসহ জন্ম গাওঁ পাট্টিয়ানৰ পৰা ধাৰমাৰিলৈ গাড়ীৰে আহি থকা অৱস্থাত চালুখ ইখটাৰ নাল্লাহ অঞ্চলত ভূমিস্খলনৰ সন্মুখীন হয়। এটা ডাঙৰ শিলে তেওঁলোকৰ গাড়ীত খুন্দা মৰাত

জম্মু-কাশ্মীৰ প্ৰশাসনিক সেৱাৰ বিষয়া শ্ৰী ৰাণা আৰু তেওঁৰ পুত্ৰৰ লগে লগে মৃত্যু হয়। আহতসকলক স্থানীয় হস্পিতালত প্ৰাথমিক চিকিৎসা দিয়াৰ পাছত ৰিয়েছিৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। প্ৰয়াত ৰাজেন্দ্ৰ সিং ৰাণা ৰামনগৰত মহকুমা দণ্ডাধীশ হিচাপে কৰ্মৰত আছিল।

০০০০০০

দিল্লীৰ এখন আদালতে গুৰুগ্ৰামৰ চিকোহপুৰ ভূমি লেনদেন গোচৰত কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ স্বামী ৰবাৰ্ট ভাদ্ৰালৈ জাননী জাৰি কৰিছে। ৰাউজ এভিনিউ আদালতে এই ক'লা ধন বৈধকৰণৰ গোচৰ সংক্ৰান্তত বিধি বলবৎকাৰী সঞ্চালকালয়ে দাখিল কৰা অভিযোগনামা সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি ৰবাৰ্ট ভাদ্ৰাসহ ১১জন লোকলৈ জাননী জাৰি কৰে। ২৮ আগষ্টত গোচৰটোৰ পৰৱৰ্ত্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে চিকোহপুৰ গাঁৱত প্ৰবঞ্চনাৰে প্ৰায় চাৰে তিনি একৰ ভূমি ক্ৰয়ৰ সৈতে জড়িত এটা গোচৰত ভাদ্ৰা আৰু অন্য ১০জন ব্যক্তিৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। সঞ্চালকালয়ে তদন্তৰ ভিত্তিত ইতিমধ্যে ৰবাৰ্ট ভাদ্ৰা আৰু তেওঁৰ কোম্পানীৰ সৈতে জড়িত ৩৭ কোটি ৩৪ টকা মূল্যৰ ৪৩টা সম্পত্তি জব্দ কৰিছে।

০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন চৌহদৰ অমৃত উদ্যানখন ১৬ আগষ্টৰ পৰা সাধাৰণ লোকৰ দৰ্শনৰ বাবে মুকলি কৰি দিব। উদ্যানখন ১৪ ছেপ্তেম্বৰলৈকে সাধাৰণ লোকৰ বাবে মুকলি থাকিব। ৰাষ্ট্ৰপতি সচিবালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি উদ্যানখন প্ৰতিদিনে পুলা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে খোলা থাকিব আৰু বিয়লি ৫ বাজি ১৫ মিনিটলৈকে উদ্যান দৰ্শনৰ বাবে মানুহ প্ৰৱেশ কৰিব পাৰিব। আনহাতে সোমবাৰে উদ্যানখন বন্ধ থাকিব। দৰ্শনাৰ্থীৰ বাবে উদ্যানখনত প্ৰৱেশ বিনামূলীয়া হ'ব। ইচ্ছুক লোকে **ভিজিট ডট ৰাষ্ট্ৰপতিভৱন ডট গভ ডট ইন** ৱেবছাইটৰ জৰিয়তে উদ্যান ভৱনৰ বাবে অনলাইন পঞ্জীয়ণ কৰিব পাৰিব অথবা বাহিৰত থকা ৩৫ প্ৰৱেশদ্বাৰলৈ গৈ নিজৰ নাম পঞ্জীয়ণ কৰিব পাৰিব। বিবৃতিটোত কোৱা হৈছে যে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে এথলিট আৰু ক্ৰীড়াৰ লগত জৰিত সকলৰ বাবে ২৯ আগষ্টত আৰু শিক্ষক দিৱস উপলক্ষে ৫ ছেপ্তেম্বৰত শিক্ষকসকলৰ বাবে উদ্যানখনত বিশেষ ব্যৱস্থা থাকিব। দৰ্শনাৰ্থীয়ে নিজৰ লগত ম'বাইল ফোন ইলেকট্ৰনিক ছাবি, পাৰ্চ, হেণ্ড বেগ, পানী বটল, শিশুক গাখীৰ খুওৱা বটল, ছাতি আদি উদ্যানৰ ভিতৰলৈ নিব পাৰিব। অৱশে এই কেইপদ সামগ্ৰীৰ বাহিৰে অন্য বস্তু নিয়াৰ অনুমতি নাথাকিব।

০০০০০০

যোৱা বছৰত প্ৰায় ১৮ হাজাৰ ৯০০ অংগ সংৰোপন সম্পন্ন কৰি ভাৰতে বিশেষ কৃতিত্ব অৰ্জন কৰিছে বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত পঞ্চদশ অংগদান দিৱসৰ অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে ২০২৩ বৰ্ষত ৩ লাখৰো অধিক লোকে ৰাষ্ট্ৰীয় অংগ আৰু কলা সংৰোপন সংস্থাৰ জৰিয়তে অংগ দানৰ  সংকল্প গ্ৰহণ কৰিছে। ভাৰত অংগ সংৰোপনৰ ক্ষেত্ৰত সম্প্ৰতি বিশ্বৰ তৃতীয় স্থানত আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ অংগদানক মানৱ জাতিৰ মহান দান বুলি অভিহিত কৰে।

০০০০০০

অ'ভেল ক্ৰিকেট টেষ্ট আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। কালি দ্বিতীয় দিনা দুয়ো দলৰে বলাৰে খেলখনত আধিপত্য বিস্তাৰ কৰে আৰু একেদিনাই ১৫ টা উইকেটৰ পতন ঘটে। ভাৰতৰ প্ৰথম ইনিংছ ২২৪ ৰানত সমাপ্ত হোৱাৰ পাছত ইংলেণ্ডৰ প্ৰথম ইনিংছ আৰম্ভ কৰে। ইংলেণ্ডৰ হৈ জেক ক্ৰ'লি আৰু বেন ডাকেটে দলক সুন্দৰ আৰম্ভণি দিয়াৰ লগতে হেৰি ব্ৰুকে ৫৩ ৰানৰ বৰঙণি আগবঢ়ায়। কিন্তু ভাৰতীয় বলাৰ মহম্মদ ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণৰ উজ্জীৱীত বলিঙে ইংলেণ্ডৰ প্ৰথম ইনিংছ ২৪৭ ৰানত সামৰিবলৈ বাধ্য কৰায়। ছিৰাজ আৰু কৃষ্ণ উভয়ে চাৰিটাকৈ উইকেট দখল কৰে।

প্ৰথম ইনিংছত মাত্ৰ ২৩ ৰানত পিছ পৰি থকা ভাৰতে দ্বিতীয় ইংনিছ আৰম্ভ কৰে। কে এল ৰাহুল আৰু ছাইসুদৰ্শন কম ৰানতে আউট হয় যদিও য়শস্বী জয়ছোৱালে দৃঢ়তাৰে খেলি ৫১ ৰানত অপৰাজিত হৈ আছে। নাইট ৱাছমেনৰ ৰূপত অহা আকাশ দীপে ৪ ৰান কৰি বেট ধৰি আছে। খেলখনৰ আজি তৃতীয় দিনা ভাৰতে দুই উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৫ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

০০০০০